# ফাটবিহু

নিৰ্দিষ্ট সময় জ্ঞাত নহ'লেও আনুমানিক যোল্ল শতিকাৰপৰা ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত অনুষ্ঠিত হৈ অহা স্বকীয় বৈশিষ্ট্যৰ অধিকাৰী বিহুবিধেই জনসমাজত 'ফাটবিহু' নামেৰে পৰিচিত। বৰ্তমান এই বিহু চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘুলি চাপৰিত ব'হাগ মাহৰ শেষৰটো সপ্তাহৰ শুকুৰ, শনি আৰু দেওবাৰে বছৰি নিয়মীয়াকৈ অনুষ্ঠিত হয়। ফাটবিহু ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত উৎসৱ। ঢকুৱাখনাৰ বিশিষ্ট সাংস্কৃতিক সম্পদ। সম্প্ৰতি ইয়াৰ আবেদন ৰাজ্যৰ চাৰিসীমা পাৰ হৈ দেশ-বিদেশলৈও সম্প্ৰসাৰিত। আহোম ৰাজত্বকালৰেপৰাই ফাটবিহু সমগ্ৰ ঢকুৱাখনা অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক মিলনৰ থলী, সমন্বয়ৰ বিশিষ্ট প্ৰতীকৰূপে বিবেচিত হৈ আহিছে। অসমৰ অন্যান্য জাতীয় কৃষ্টি আৰু লোক-সংস্কৃতিৰ লগত ফাটবিহুৰ বৃহৎ চৰিত্ৰগত পাৰ্থক্য নাই যদিও ইয়াৰ কিছু বৈশিষ্ট্য সুকীয়া, কিছু চৰিত্ৰ নিজা— যিবোৰে ফাটবিহুক এক বিশেষ পৰিচয় প্ৰদান কৰিছে।

ফাটবিহু সম্পৰ্কে বৰ্তমানলৈকে কোনো প্ৰামাণিক ইতিহাস নাই। এই উছৱটিৰ নামকৰণ ফাটবিহু হোৱা সম্পৰ্কত ঐতিহাসিক কাৰণ আছে বুলি ধাৰণা কৰা হয় যদিও বৰ্তমানেও নিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা নাই।

## ২.১ ফাটবিহু নামৰ উৎপত্তি

টাই ভাষাৰ শব্দ 'ফাট'ৰ অৰ্থ হ'ল— 'নৈ বা গভীৰ পানী থকা ঠাইৰ দাঁতিত বেহা-বেপাৰ, কৰ-কাটল সংগ্ৰহ আদি কামৰ বাব সমৱেত হোৱা ঠাই।'

Ahom Lexicons মতে 'ফাট'ৰ অৰ্থ— 'a place where traders assemble for trade and for payment of duty. ' এনে ফাটক বহুতে হাট বা ঘাটৰূপেও ব্যৱহাৰ কৰিছিল।

হেমকোষ অভিধানত 'ফাট' (বি.) বুলিহে আছে। ইয়াৰ অৰ্থ 'নাৱেৰে বা বামেৰে বেহা-বেপাৰ কৰা বেপাৰী একত্ৰ হোৱা আৰু ৰাজহ দিয়া ঠাই।'

জনশ্ৰুতি অনুসৰি ফাটবিহু সম্পৰ্কে কেইবাটাও মতামত পোৱা গৈছে যদিও এটা মতকহে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে। সেয়া হ'ল—

চাৰিকড়ীয়া নৈৰ পাৰৰ বিহুৰ লগত ৰজাঘৰৰ বিহুৰ সম্পৰ্ক আছে। ফাট মানে ডাঙৰ বজাৰ। ই হাটৰ সমাৰ্থক। বিহুৰ সময়ত আহোম ৰজাই উত্তৰ পাৰৰ মানুহৰপৰা কৰ-কাটল সংগ্ৰহ কৰিবলৈ বিষয়া পঠাইছিল আৰু বিষয়াসকলেও বিহুৰ ঠিক আগে আগে চাৰিকড়ীয়াৰ ফাটত নাও চপাইছিলহি। ৰাজ বিষয়াক আদৰ সম্ভাষণ জনাবলৈ বিভিন্ন গাঁৱৰ ৰাইজে দলে দলে আহি ফাটত জুম বান্ধিছিল। তেওঁলোকৰ বিনোদনৰ বাবে বিভিন্ন জনগোষ্ঠীয় লোক একত্ৰিত হৈ ইয়াত বিহু মাৰিছিল। এই বিহু সাতদিনলৈকে উদ্‌যাপিত হৈছিল। ৰজা-প্ৰজা সন্মিলিত ফাটত হোৱা এই বিহুৰেই হ'ল 'ফাটবিহু।'

ফাট বিহু মানে ৰঙালী বিহুৰেই। চাৰিকড়ীয়া নৈৰ ফাটত জনগোষ্ঠীসমূহ গোট গোট হৈ মুকলি আকাশৰ তলত মৰা সামূহিক বিহু। যি স্থানত ফাট বহিছিল, য'ত আহোম ৰজাঘৰীয়া বিষয়াসকলে কৰ-কাটল সংগ্ৰহ কৰিছিল, য'ত পাহাৰ-ভৈয়ামৰ মুদৈ-বেহেৰুৱাসকল একত্ৰিত হৈছিল আৰু তাৰে গহনা লৈ সমীপৰ জনগোষ্ঠীসমূহৰ ডেকা-গাভৰুসকল আহি মুকলি বিহু মাৰি ফাটৰ তলী উদুলি-মুদুলি কৰিছিল— সেয়াই ফাটবিহু।

## ২.২ ফাটবিহুৰ ক্ৰমবিকাশ

যোল্ল শতিকাৰ মানৰপৰা ঢকুৱাখনা (হাবুং)ৰ চাৰিকড়ীয়া নৈৰ পাৰত গতানুগতিকভাৱে ফাটবিহু অনুষ্ঠিত হৈ আহিছে। প্ৰথমাৱস্থাত এই বিহু কেৱল জনগোষ্ঠীয় লোকৰ মাজতে সীমাবদ্ধ আছিল।

১৯১৮ চনত ফাটবিহু স্তব্ধ হৈ পৰিছিল। ইংৰাজ শাসনৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহী হৈ মিচিংসকলে মোহন গাম নামৰ এজন প্ৰতাপী ব্যক্তিৰ নেতৃত্বত জংগী কৃষক আন্দোলন চলাবলৈ ৰাইজমেল পাতি সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেওঁলোকে দেখাদেখিকৈ ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিবলৈ নগৈ মাৰোৱাৰী মহাজনৰ গোলাত লুট-পাত কৰি নানা বস্তু

ঢাহি-মুহি লৈ গৈছিল। ব'হাগ বিহুৰ সময়তে তেনে ঘটনা ঘটিছিল। ১৯১৭ চনলৈকে ফাটবিহু মাৰিবলৈ যিসকলে দলদোপ-হেন্দোলদোপ কৰি চাৰিকড়ীয়া ফাটলৈ আহিছিল সেইসকলেই ভোগ কৰিব লগা হৈছিল পুলিচৰ নির্যাতন আৰু নিপীড়ন। তেতিয়াৰপৰা ঢকুৱাখনাত ফাটবিহু মাৰিবলৈ তেওঁলোক নহা হ'ল। ফলত, ফাটবিহু সাময়িকভাৱে স্তব্ধ হৈ পৰিল।

পুনৰ কুৰি শতিকাৰ প্ৰায় ষাঠিৰ দশকমানৰপৰা কিছুসংখ্যক স্থানীয় লোকৰ আন্তৰিক প্ৰচেষ্টাত ফাটবিহু উজ্জীৱিত হ'ল। ১৯৭৬ চনৰপৰা আনুষ্ঠানিকভাৱে সংগঠিত ৰূপত ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেল-পথাৰত বিভিন্ন গছৰ ডাল ৰুই ফাটবিহু অনুষ্ঠিত কৰা হয়। পৰৱৰ্তী সময়ত ঢকুৱাখনাৰ মুগা ফাৰ্মৰ চুমনিৰ মাজত দুবাৰকৈ ফাটবিহু অনুষ্ঠিত হয়। ১৯৯৬ চনৰপৰা চাৰিকড়ীয়া নৈৰ পাৰৰ মনোমোহা ম'হঘুলি চাপৰিৰ চিচু গছৰ মাজত প্ৰাকৃতিক পৰিৱেশত স্থায়ীভাৱে মঞ্চ সাজি ফাট বিহু অনুষ্ঠিত কৰি অহা হৈছে।

## ২.৩ ম'হঘুলি চাপৰি আৰু ফাটবিহু

ঢকুৱাখনা চাৰিআলিৰপৰা পশ্চিম-দক্ষিণ মুৱাকৈ চাৰিকড়ীয়া নদীৰ দুয়োপাৰৰ চাপৰিয়েই হ'ল ম'হঘুলি চাপৰি। আগেয়ে ঢকুৱাখনা চাৰিআলিৰপৰা ৪০০ মিটাৰমান পশ্চিমলৈ চাৰিকড়ীয়াৰপৰা ওলাই ২.৫ কিলোমিটাৰমান ভটিয়াই গৈ আকৌ চাৰিকড়ীয়াতে পৰা এটা সুঁতি আছিল। সম্প্ৰতি মৃত এই সুঁতিটোৱে সৃষ্টি কৰা নদীদ্বীপ অঞ্চলটোৰ পূব ফালৰ অংশটোৱে বৰ্তমানৰ ফাটবিহুৰ স্থলী। নব্বৈ দশকৰ শেহৰ ফাললৈ (প্ৰায় ১৯৮৮-৮৯ চনত) আঞ্চলিক বন বিভাগে এই অঞ্চলটোত চিচুকে ধৰি বিভিন্ন প্ৰজাতিৰ গছ ৰোপণ কৰি আজিৰ দৃষ্টিনন্দন পৰিৱেশটোৰ সৃষ্টি কৰে।

প্ৰথিতযশা সাহিত্যিক, ঢকুৱাখনাৰ সুসন্তান হোমেন বৰগোহাঞিয়ে তেখেতৰ 'গৰখীয়া' শীৰ্ষক গল্পটোত বৰ্তমান ফাটবিহু উদ্‌যাপিত হৈ থকা ঠাইডোখৰৰ নাম 'ম'হঘুলি চাপৰি' বুলি উল্লেখ কৰিছে। এই চাপৰিৰ প্ৰাকৃতিক সৌন্দৰ্যই বৰগোহাঞিদেৱক শৈশৱৰেপৰা আকৰ্ষণ কৰিছিল বাবে এই ঠাইডোখৰৰ বিষয়ে তেখেতে নানান গল্প-উপন্যাস-ৰচনাত বিস্তাৰিতভাৱে সেয়া উল্লেখ কৰিছে।

অসমীয়া লোক-সংস্কৃতিৰ অমূল্য সম্পদৰূপে পৰিগণিত ফাটবিহু এই চাপৰিতে অনুষ্ঠিত হোৱা বাবে সম্প্ৰতি ই এক উল্লেখযোগ্য পৰ্যটনস্থলীতো পৰিণত হৈছে।

## ২.৪ ফাটবিহুৰ বৈশিষ্ট্য

বিহুৰে এক বিশিষ্ট প্ৰকাশ হ'লেও অন্যান্য অঞ্চলসমূহৰ বিহুৰ সৈতে ফাটবিহুৰ পোনপটীয়া তুলনা নহয়। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, ঐতিহ্য, বিহু নাচ, মন পৰশা সুৰৰ বিহু নাম, জাত নাম, হুঁচৰি, সাজ-পোছাক, বিভিন্ন জনগোষ্ঠীৰ অংশগ্ৰহণ বৈশিষ্ট্যপূৰ্ণ, বৈচিত্ৰ্যপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ। বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ আন এক নাম ফাটবিহু। সমন্বয়ৰ অনন্য প্ৰতীক ফাটবিহু। স্থানীয় চহা লোকৰ সুকুমাৰ মনবোৰৰ স্বতঃস্ফূৰ্ত প্ৰাকৃতিক প্ৰকাশ ফাটবিহু।

## ২.৫ ফাটবিহু সম্পৰ্কে বিভিন্নজনৰ মতামত

ঢকুৱাখনাৰ সুসন্তান, বিশিষ্ট সাহিত্যিক, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত নাট্যকাৰ ড° চন্দ্ৰধৰ চমুৱাৰ মতে— লুইতপৰীয়া মিচিং ডেকা-গাভৰুসকলে ৰং-বিৰঙৰ পোছাকেৰে ফাটবিহুলৈ বুলি ভাগি-ভুঁহৰি আহিছিল। দিনৰ ভাগত বাটৰ কাষত কিম্বা বৰ চাপৰি, ম'হঘুলি চাপৰিৰ গছৰ তলত এই বিহু কৰিছিল। পশ্চিমীয়া, বিশেষকৈ বংগীয় সংস্কৃতিৰ প্ৰভাৱত আঢ্যৱন্ত পৰিয়ালৰ জ্যেষ্ঠ লোকে বিহুৰ নৃত্য-গীতক অৱজ্ঞাৰ চকুৰে চাইছিল। সেয়েহে ৰাতি বিহুলৈ ওলাই যোৱাসকলক বিহু জুপিবলৈ যোৱা বুলি কোৱা হৈছিল। পিছে অনুন্নত সম্প্ৰদায়ৰ ডেকা-গাভৰুৰ মাজত আছিল বিহুৰ প্ৰকৃত প্ৰাণ-প্ৰাচুৰ্য আৰু ঢকুৱাখনাৰ ফাটবিহু প্ৰাণকেন্দ্ৰ আছিল কৈৱৰ্ত আৰু মিচিং সম্প্ৰদায়ৰ লোকৰ।

প্ৰথিতযশা সাহিত্যিক, সাংবাদিক আৰু সমালোচক হোমেন বৰগোহাঞিৰ মতে, "ফাটবিহু ঢকুৱাখনাৰ এক নিজস্ব উৎসৱ। ঢকুৱাখনাৰ চাৰিওফালে অসংখ্য মিচিং গাঁও আছে। প্ৰতিবছৰে ব'হাগ বিহুৰ সময়ত বিহুৱলীয়া মিচিং ডেকা-গাভৰুৱে দল বান্ধি ঢকুৱাখনাৰ চাৰিকডায়া নৈৰ পাৰত বিহু মাৰিবলৈ আহে। এই বিহু চাবলৈ গাঁও-ভূঁই ভাগি-

ভূহৰি আহি হাজাৰ মানুহ ঢকুৱাখনাত জমা হয়। ঠাইখন লোকে লোকাৰণ্য হয়। সাত দিন সাত ৰাতি এই বিহু চলে। কেৱল যে মিচিংসকলেই এই বিহুত অংশ লয় এনে নহয়, ঢকুৱাখনাৰ আহোম, চুতীয়া, কৈৱৰ্ত আদি সকলো সম্প্ৰদায়ৰ মানুহে আনন্দৰ বলিয়া বানত নিজক উটুৱাই দিয়ে।"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ, সাহিত্যিক ড° নগেন শইকীয়াৰ মতে, "চাৰিকড়ীয়া নৈৰ পাৰৰ গছ-গছনিৰে আগুৱা মুকলি ঘাঁহনি পথাৰত ফাটবিহু পাতে। সকলো সামাজিক গোটৰ লোক আহি সমৱেত হয়। নিজৰ নিজৰ গোটে দিনটো বিহু মাৰে। ঢকুৱাখনাৰ মানুহে ঘৰ-দুৱাৰ এৰি আহি সমৱেত হয়হি 'ফাটবিহু' তলীত। ঢকুৱাখনাৰ বাট-পথত ফাটবিহুৰ সময়ত বিৰ দি বাট পাব নোৱাৰি। কিন্তু, ক'তো বিশৃংখলতা নই। কোনো গণ্ডগোল নাই। বাৰিষাৰ ধলৰ দৰে মানুহৰ ঢল বিহুতলীলৈ বাগৰি আহে। প্ৰত্যেকৰে গাত জাতীয় পোছাক। মহিলাসকলৰ পাট, মুগা, কঁপাহী ফুলেৰে ৰমক-জমক মেখেলা-চাদৰ আৰু ল'ৰা-বুঢ়া সকলো পুৰুষৰ গাত চুৰীয়া, পাঞ্জাবী আৰু গামোচা। এখন অপূৰ্ব মেলা-বিহুমেলা।"

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰীৰ মতে, "মুকলি পথাৰত আৰু গছৰ তলত দলে দলে বিহু গীত গাই আৰু বিহু নাচ নাচি থকা লোকসকলৰ মাজত দেখিছিলোঁ নিজ নিজ প্ৰথাৰে আনন্দ উপভোগ কৰা সকলো বয়সৰ মানুহ। পুৰণি কালত অসমৰ মানুহে এনেদৰেহ গীত-নাচ উপভোগ কৰিছিল। নিশ্চয় সেই প্ৰথা ফাট বিহুত এতিয়াও চলি থকা যেন লাগিছিল।"

আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ ড° শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ মতে, "ফাটবিহু শব্দটিয়ে জনগণৰ মনত আনন্দ-উৎসৱৰ হিল্লোল তোলে। বিহু উৎসৱত আছে ঐক্য-সম্প্ৰীতি সামূহিক চিন্তা-চৰ্চা। বিহু মানৱ মিলনৰ থলী। বিহু তথা ফাটবিহু বিভিন্ন জনগোষ্ঠীৰ, সম্প্ৰদায়ৰ মিলন আৰু সম্প্ৰীতিৰ সাঁকো। এনে ভাবধাৰাৰেই ফাট বিহু সৃষ্টি হৈছিল বুলি ঠাৱৰ কৰিব পাৰি। আহোম স্বৰ্গদেউসকলৰ দিনৰপৰা প্ৰচলিত ফাটবিহুৰে ঢকুৱাখনাৰ ৰাইজৰ একাত্মবোধৰ ঐতিহ্য বহন কৰি আহিছে। এয়া কেৱল ঢকুৱাখনাবাসীৰেই নহয় সমগ্ৰ অসমবাসীৰে গৌৰৱ। এই ফাটবিহু সকলো জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সাম্প্ৰতিক কালত সম্প্ৰীতিৰে পালন কৰি বৰ্তমানৰ সাম্প্ৰদায়িক ভেদ-ভাবৰ বিপৰীতে এক শিকনীয় আদৰ্শ ঢকুৱাখনাৰ ৰাইজে প্ৰদৰ্শন কৰি আহিছে।"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সু-সাহিত্যিক ৰং বং তেৰাঙৰ মতে, "আহোম স্বৰ্গদেউসকলৰ দিনৰেপৰা প্ৰচলিত ফাটবিহুৰে ঢকুৱাখনা ৰাইজৰ একাত্মবোধৰ ঐতিহ্য বহন কৰি আহিছে। ফাটবিহু বৰ্তমান ঢকুৱাখনাবাসীৰেই নহয়, এই উৎসৱ সমগ্ৰ অসমবাসীৰেই গৌৰৱ। ফাট বিহু উৎসৱত মিচিং, দেউৰী, কৈৱৰ্ত, আহোম, চুতীয়া, কোচ, কলিতা, বড়ো, নেপালী আদি সকলোৰে জাতি-বৰ্ণ নিৰ্বিশেষে সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাই সমিলমিলেৰে বিহু পালন কৰি বৰ্তমানৰ সাম্প্ৰদায়িক ভেদাভেদৰ বিপৰীতে একতাৰ প্ৰশংসনীয় আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে।"

পাহাৰ ভৈয়ামৰ সমন্বয়ৰ সাঁকো গঢ়োঁতা, সু-প্ৰতিষ্ঠিত সাহিত্যিক য়েছে দৰ্জে ঠংছিৰ মতে, "চাৰিকড়ীয়া নদীৰ পাৰৰ সেউজীয়া প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত ফাটবিহুত বিভিন্ন জনগোষ্ঠীৰ লোকে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰাটো বৃহৎ অসমীয়া জাতিৰ কাৰণেই অতি গৌৰৱৰ বিষয়। অতীতত আহোম স্বৰ্গদেউসকলৰ দিনৰপৰা স্বাধীনতাৰ প্ৰাক্‌মুহূৰ্তলৈকে তাহানিৰ 'নেফা'ৰ আদি, আপাতানি, অকা, ডফলা আদি পাহাৰীয়া জনজাতি লোকসকলেও ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ ফাটত বেহা-বেপাৰ কৰি ব'হাগ মাহৰ ফাটবিহুত অংশগ্ৰহণ কৰিছিল বুলিও জনা যায়। ফাটবিহুত কোনো কৃত্ৰিমতা নাই।"

## ২.৬ ফাটবিহুত অংশগ্ৰহণ কৰা জনগোষ্ঠী

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত বিহুৰে ৰাজ স্বীকৃতি পোৱাৰ পাছত ফাট বিহুত অংশগ্ৰহণ কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহ হ'ল— মিচিং, আহোম, চুতীয়া, দেউৰী, কৈৱৰ্ত, কছাৰী, কোচ, কলিতা ইত্যাদি। বৰ্তমান দেশ-বিদেশৰ বহু পৰ্যটক ফাট বিহু চাবলৈ ঢকুৱাখনাত সমৱেত হয়।